# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 02-09-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰী ভ্ৰমণসূচীৰে কাইলৈ ব্ৰুনেই আৰু ছিংগাপুৰলৈ ৰাওনা হ'ব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অন্ধ্ৰপ্ৰদেশ আৰু তেলেংগানাত ধাৰাষাৰ বৰষুণৰ ফলত সৃষ্টি হোৱা পৰিস্থিতিৰ সৈতে মোকাবিলা কৰাৰ বাবে কেন্দ্ৰৰ পৰা প্ৰয়োজনীয় সকলো সহায় আগবঢ়োৱা হ'ব বুলি ৰাজ্য দুখনৰ মুখ্যমন্ত্ৰীক আশ্বাস প্ৰদান কৰিছে।

৩। আজিৰে পৰা বিজেপিৰ সদস্যতা ভৰ্তি অভিযান আৰম্ভ হ'ব।

৪। চলিত বৰ্ষৰ আগষ্টত সামগ্ৰী আৰু সেৱা কৰ সংগ্ৰহৰ পৰিমাণ ১০ শতাংশ বৃদ্ধিৰে ১ লাখ ৭৫ হাজাৰ কোটি টকা হৈছে।

*আৰু*

৫। পেৰিছ পেৰালিম্পিত নিশাদ কুমাৰে পুৰুষৰ হাইজাম্প T-47 শিতানত ৰূপৰ পদক লাভ কৰাৰ পাছত ভাৰতে লাভ কৰা মুঠ পদকৰ সংখ্যা ৭লৈ বৃদ্ধি পাইছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী চৰকাৰী ভ্ৰমণসূচীৰে কাইলৈ ব্ৰুনেই আৰু ছিংগাপুৰলৈ ৰাওনা হ'ব। নতুন দিল্লীত শুকুৰবাৰে সাংবাদিকৰ সৈতে হোৱা কথা বতৰাত বিদেশ মন্ত্ৰালয়ৰ মুখপাত্ৰ ৰনধীৰ জয়ছোৱালে কয় যে, ব্ৰুনেইৰ ছুলতান হাজী হছনল বোলকিয়াৰ আমন্ত্ৰণ মৰ্মে প্ৰধানমন্ত্ৰী মোদী কাইলৈ ব্ৰুনেৰ ডাৰুচ্ছালামত উপস্থিত হ'ব। এয়া কোনো ভাৰতীয় প্ৰধানমন্ত্ৰীৰ প্ৰথম দ্বিপাক্ষিক ব্ৰুনেই যাত্ৰা হ'ব বুলি মুখপাত্ৰগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে, ভাৰত আৰু ব্ৰুনেইৰ মাজত কূটনৈতিক সম্পৰ্ক স্থাপনৰ ৪০ সংখ্যক বাৰ্ষিকীৰ সময়ত প্ৰধানমন্ত্ৰী মোদী দেশখনলৈ যাব। শ্ৰীজয়ছোৱালে কয় যে, প্ৰধানমন্ত্ৰী মোদী তেওঁৰ ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত প্ৰধানমন্ত্ৰী লৰেঞ্চ ৱঙৰ নিমন্ত্ৰণ মৰ্মে বুধবাৰে ছিংগাপুৰত উপস্থিত হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অন্ধ্ৰপ্ৰদেশ আৰু তেলেংগানাত ধাৰাষাৰ বৰষুণৰ ফলত সৃষ্টি হোৱা পৰিস্থিতিৰ সৈতে মোকাবিলা কৰাৰ বাবে কেন্দ্ৰৰ পৰা প্ৰয়োজনীয় সকলো সহায় আগবঢ়োৱা হ'ব বুলি ৰাজ্য দুখনৰ মুখ্যমন্ত্ৰীক আশ্বাস প্ৰদান কৰিছে। চৰকাৰী সূত্ৰই প্ৰকাশ কৰা অনুসৰি শ্ৰীমোদীয়ে অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী এন চন্দ্ৰবাবু নাইডু আৰু তেলেংগানাৰ মুখ্যমন্ত্ৰী এ ৰেৱান্ত ৰেড্ডীৰ সৈতে প্ৰবল বৰষুণ আৰু ইয়াৰ ফলত সৃষ্টি হোৱা বান সন্দৰ্ভত টেলিফোনেৰে বাৰ্তালাপ কৰে। হায়দৰাবাদকে ধৰি তেলেংগানাৰ বিভিন্ন অংশত কালিও ধাৰাষাৰ বৰষুণ অব্যাহত

থাকে। ইয়াৰ পৰিপ্ৰেক্ষিতত আজি ৰাজ্যখনত সকলোবোৰ প্ৰাথমিক আৰু মাধ্যমিক বিদ্যালয় বন্ধ ঘোষণা কৰা হৈছে। ইপিনে, অন্ধ্ৰপ্ৰদেশত বিগত দুটা দিনত হোৱা নেৰা-নেপেৰা বৰষুণে ৰাজ্যখনৰ বিভিন্ন অংশত জনজীৱন বিপৰ্যস্ত কৰি তুলিছে। ৰাজ্য দুখনত বান সাহায্য আৰু উদ্ধাৰ অভিযানৰ বাবে এন ডি আৰ এফৰ ২৬টা দল নিয়োগ কৰা হৈছে। প্ৰতিকূল বতৰৰ পৰিপ্ৰেক্ষিতত দক্ষিণ মধ্য ৰে'লৰে নেটৱৰ্কৰ অধীনত ৯৯ খন ৰে'লগাড়ীৰ যাত্ৰা বাতিল কৰাৰ লগতে ৪ খন ৰে'লগাড়ীৰ যাত্ৰা আংশিকভাৱে বাতিল কৰা হৈছে আৰু ৫৪ খনৰ যাত্ৰাপথ সলনি কৰা হৈছে।

০০০০০

বিজেপিৰ সদস্যতা ভৰ্তি অভিযান আজিৰে পৰা আৰম্ভ হ'ব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দলত তেওঁৰ সদস্যতাৰ নবীকৰণৰ বাবে ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাৰ পৰা প্ৰমাণ-পত্ৰ গ্ৰহণেৰে এই অভিযানৰ শুভাৰম্ভ কৰা হ'ব। বৰ্তমানৰ দলৰ সকলো সদস্যই তেওঁলোকৰ সদস্যতাৰ নবীকৰণ কৰাব লাগিব। বিজেপিৰ সংবিধান অনুসৰি প্ৰতি ৫ৰ পৰা ৬ বছৰত সদস্যতা অভিযান অনুষ্ঠিত হয়। আজিৰ পৰা অহা ১০ নৱেম্বৰলৈকে বিভিন্ন পৰ্যায়ত এই অভিযান চলোৱা হ'ব। সদস্যতা অভিযানৰ প্ৰথম পৰ্যায় অহা ২৫ ছেপ্তেম্বৰত সামৰণি পৰিব। জনসাধাৰণে মিছ্ড কল অথবা দলৰ ৱেবছাইট আৰু অন্যান্য ডিজিটেল মঞ্চৰ জৰিয়তে নিজৰ নাম পঞ্জীয়ন কৰিব পাৰিব।

০০০০০

ভাৰতে বাংলাদেশৰ ৬জন ছাত্ৰ নেতাৰ ভিছাত নিষেধাজ্ঞা আৰোপ কৰা বুলি দাবী কৰা বাতৰিবোৰ ভুৱা। বিদেশ পৰিক্ৰমা মন্ত্ৰালয়ৰ সূত্ৰই জনোৱা মতে, ভাৰতে এনে কোনো নিষেধাজ্ঞা আৰোপ কৰা নাই। একাংশ সংবাদ মাধ্যমত বাংলাদেশৰ ছয়জন ছাত্ৰ নেতাৰ ওপৰত এনে নিষেধাজ্ঞা আৰোপ কৰা হৈছে বুলি বাতৰি সম্প্ৰচাৰিত হৈছিল।

০০০০০

আকাশবাণী বাতৰি সেৱা বিভাগৰ দ্বিভাষিক ফোন ইন অনুষ্ঠান পাৱলিক স্পীকত আজি নিশা চাৰে ন বজাত বাহকজনিত ৰোগৰ লক্ষণ, প্ৰতিকাৰ আৰু চিকিৎসা সন্দৰ্ভত সৰ্বভাৰতীয় আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠানৰ কমিউনিটি মেডিচিন বিভাগৰ অধ্যাপক ডাঃ পুণিত মিশ্ৰ আৰু বাহকজনিত ৰোগ নিয়ন্ত্ৰণৰ ৰাষ্ট্ৰীয় কেন্দ্ৰৰ সঞ্চালক ডাঃ তনু জৈনৰ সৈতে হোৱা এটি আলোচনা প্ৰচাৰ কৰা হ'ব। আগ্ৰহী শ্ৰোতাসকলে অনুষ্ঠান চলি থকাৰ সময়ত ০১১-২৩৪২ ১০৫০ আৰু ০১১ ২৩৩১ ৪৪৪৪ নম্বৰত ফোন কৰি এই সন্দৰ্ভত বিশেষজ্ঞ কেইগৰাকীক প্ৰশ্ন সুধিব পাৰিব। তেওঁলোকে ৱাটছএপ যোগে ৯২৮৯০ ৯৪০৪৪ নম্বৰলৈও প্ৰশ্ন প্ৰেৰণ কৰিব পাৰিব। আকাশবাণীৰ এফ এম গ'ল্ড চেনেল আৰু অতিৰিক্ত ফ্ৰিকুয়েন্সিসমূহত এই অনুষ্ঠান শুনিবলৈ পোৱা যাব। শ্ৰোতাসকলে আমাৰ ৱেৱছাইট newson air.co.in আৰু ইউটিউব চেনেল newsonairofficial যোগেও এই অনুষ্ঠান শুনিবলৈ পাব।

০০০০০

চলিত বৰ্ষৰ আগষ্টত সামগ্ৰী আৰু সেৱা কৰ- জি এছ টি সংগ্ৰহৰ পৰিমাণ ১০ শতাংশ বৃদ্ধিৰে ১ লাখ ৭৫ হাজাৰ কোটি টকা হৈছে। যোৱাবছৰৰ এই একেই সময়ছোৱাত এই পৰিমাণ আছিল ১ লাখ ৫৯ হাজাৰ কোটি টকা। কেন্দ্ৰীয় চৰকাৰে ৩০ হাজাৰ ৮৬২ কোটি টকা জি এছ টি সংগ্ৰহ কৰাৰ বিপৰীতে ৰাজ্যসমূহে সংগ্ৰহ কৰা জি এছ টিৰ পৰিমাণ হৈছে ৩৮ হাজাৰ ৪১১ কোটি টকা। আমদানি আৰু আন্তঃৰাজ্যিক বিক্ৰীৰ ক্ষেত্ৰত সংহত জি এছ টি

সংগ্ৰহৰ পৰিমাণ ৯৩ হাজাৰ ৬২১ কোটি টকা হৈছে বুলি চৰকাৰী সূত্ৰই প্ৰকাশ কৰিছে। ঘৰুৱা লেনদেনৰ পৰা মুঠ জি এছ্ টি ৰাজহ ৯ দশমিক ২ শতাংশ বৃদ্ধি হৈ ১ লাখ ২৫ হাজাৰ কোটি টকা হৈছে। সেইদৰে সামগ্ৰীৰ আমদানিৰ পৰা সংগৃহীত ৰাজহ ১২ দশমিক ১ শতাংশ বৃদ্ধি হৈ ৪৯ হাজাৰ ৯৭৬ কোটি টকা হৈছে। চলিত বৰ্ষৰ আগষ্ট পৰ্যন্ত মুঠ জি এছ্ টি ৰাজহ বিগত বৰ্ষৰ তুলনাত ১০ দশমিক ২ শতাংশ বৃদ্ধিৰে ৮ লাখ ৭ হাজাৰ কোটি টকা হৈছে।

ooooo

কৌশল ভাৰত কুশল ভাৰত যোজনাৰ অধীনত গ্ৰাহক সেৱাৰ প্ৰতিনিধি নিযুক্তি দিয়া হ'ব আৰু ২৮ হাজাৰকৈ টকা প্ৰদান কৰা হব বুলি এটা ভুৱা খবৰ বিয়পি পৰা পৰিলক্ষিত হৈছে। তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে এই খবৰ মিছা বুলি প্ৰকাশ কৰিছে। নিযুক্তিৰ পূৰ্বে এহেজাৰ ৩৫০ টকা পঞ্জীয়ন মাচুল দিব লাগিব বুলি কৰা দাবীক মন্ত্ৰালয়ে অস্বীকাৰ কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জ্যেষ্ঠ সাংবাদিক তথা লেখক উমেশ উপাধ্যায়ৰ বিয়োগত শোক প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰী মোদীয়ে কয় যে জ্যেষ্ঠ সাংবাদিকগৰাকীৰ মৃত্যু সংবাদ জগতৰ বাবে অপূৰণীয় ক্ষতি। প্ৰয়াত উমেশ উপাধ্যায়ৰ পৰিয়ালবৰ্গলৈ প্ৰধানমন্ত্ৰীগৰাকীয়ে সমবেদনা জ্ঞাপন কৰে। দক্ষিণ দিল্লীৰ বসন্ত কুঞ্জ অঞ্চলত এটা নিৰ্মীয়মান অট্টালিকাৰ চতুৰ্থ মহলাৰ পৰা পৰি উমেশ উপাধ্যায়ৰ মৃত্যু হয়। মৃত্যুৰ সময়ত তেখেতৰ বয়স আছিল ৬৪ বছৰ।

ooooo

পেৰিছ পেৰালিম্পিকৰ চতুৰ্থ দিনটোত নিশাদ কুমাৰে পুৰুষৰ হাই জাম্প T-47 শিতানত ৰূপৰ পদক লাভ কৰাৰ পাছত ভাৰতৰ মুঠ পদকৰ সংখ্যা সাতলৈ বৃদ্ধি পাইছে। ভাৰতে এই পৰ্যন্ত এটা সোণ, দুটা ৰূপ, আৰু চাৰিটা ব্ৰঞ্জৰ পদক লাভ কৰিছে। মহিলাৰ বেডমিণ্টনত পেৰা শ্বাটলাৰ থুলাচিমাথি মুৰুগেছানে মনীছা ৰমাদাছক পৰাস্ত কৰি মহিলাৰ একক S-U-5 শিতানৰ ফাইনেলত প্ৰৱেশ কৰিছে। খেলুৱৈগৰাকীয়ে আজি চীনৰ কিউ জিয়া ইয়াঙৰ মুখামুখি হব। আনহাতে ব্ৰঞ্জৰ পদকৰ বাবে হবলগীয়া খেলখনত ডেনমাৰ্কৰ কেথ্ৰিন ৰ'জেনগ্ৰেন, মনীছাৰ মুখামুখি হব। পুৰুষৰ একক S-L-3 ছেমিফাইনেলত ভাৰতীয় শ্বাটলাৰ নিতেশ কুমাৰে জাপানৰ দৈছুকে ফুজিহাৰাক পৰাস্ত কৰি ফাইনেলত প্ৰৱেশ কৰিছে। ফাইনেলত ভাৰতীয় খেলুৱৈগৰাকীয়ে ব্ৰিটেইনৰ বেথেল ডেনিয়েলৰ মুখামুখি হব। ইফালে সুকান্ত কদমক ২১-১৭, ২১-১২ ছেটত পৰাস্ত কৰি সুহাস যথিৰাজে S-L4 শিতানৰ ফাইনেলত প্ৰৱেশ কৰিছে। ফাইনেলত যথিৰাজে টকিঅ' পেৰালিম্পিকৰ স্বৰ্ণ পদক বিজয়ী লুকাছ মাজুৰৰ বিৰুদ্ধে আৰু ব্ৰঞ্জৰ পদকৰ বাবে সুকান্তে ইণ্ডোনেছিয়াৰ ফ্ৰেডী চেটিয়াৱানৰ বিৰুদ্ধে প্ৰতিযোগীতাত অৱতীৰ্ণ হব। টেবুল টেনিছত ভবিনাবেন পেটেলে মেক্সিক'ৰ মাৰ্থা ভাৰ্ডিনক পৰাস্ত কৰি W-S-4 শিতানৰ কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছে।

ooooo

পেৰিছ্ পেৰালিম্পিক ২০২৪ত ভাৰতীয় পেৰা এথলীট প্ৰীতি পালে মহিলাৰ ২০০ মিটাৰ T-35ৰ ফাইনেলত ব্ৰঞ্জৰ পদক অৰ্জন কৰিছে। এই জয়েৰে প্ৰীতিয়ে পেৰালিম্পিকছৰ ট্ৰেক এণ্ড ফীল্ডত দুটাকৈ পদক জয় কৰা প্ৰথমগৰাকী ভাৰতীয় মহিলা পেৰা এথলীট হিচাপে অভিলেখ ৰচনা কৰিছে।

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে পেৰিছ পেৰালিম্পিকছত দ্বিতীয়টো পদক অৰ্জন কৰাৰ বাবে খেলুৱৈগৰাকীক অভিনন্দন জ্ঞাপন কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত শ্ৰীমতী মুৰ্মুৱে কয় যে, প্ৰীতিক লৈ সমগ্ৰ ভাৰত গৌৰৱান্বিত ত্ৰিৰংগা পতাকা লৈ খেলুৱৈগৰাকীৰ বিজয়ৰ ছবিসমূহে ক্ৰীড়াপ্ৰেমীসকলক উৎসাহিত কৰি তুলিছে বুলিও তেওঁ উল্লেখ কৰে।

উপ ৰাষ্ট্ৰপতি জগদীপ ধনখড়েও এই সাফল্যৰ বাবে খেলুৱৈগৰাকীক অভিনন্দন জনাইছে। সামাজিক মাধ্যমৰ এটা পোষ্টত উপ ৰাষ্ট্ৰপতিগৰাকীয়ে কয় যে, তেওঁ প্ৰীতিৰ একাগ্ৰতা, কঠোৰ পৰিশ্ৰম আৰু দৃঢ়তাৰ শলাগ লৈছে। যিয়ে তেওঁৰ এই ঐতিহাসিক বিজয়ত সহায় কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়েও প্ৰীতিৰ এই ঐতিহাসিক জয়ক প্ৰশংসা কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত প্ৰধানমন্ত্ৰীয়ে কয় যে, দেশৰ বাবে তেওঁ হৈছে এটা অনুপ্ৰেৰণা। প্ৰীতিৰ একাগ্ৰতা সঁচাকৈয়ে উল্লেখযোগ্য বুলিও শ্ৰীমোদীয়ে উল্লেখ কৰে। শ্ৰীমোদীয়ে পেৰিছ পেৰালিম্পিকত পদক জয় কৰা ভাৰতীয় খেলুৱৈসকলৰ সৈতে কালি টেলিফোনেৰে কথা পাতে। এই বাৰ্তালাপৰ সময়ত শ্ৰীমোদীয়ে তেওঁলোকৰ সাফল্যৰ বাবে অভিনন্দন জ্ঞাপন কৰে।

ooooo

টি-টুৱেণ্টি ব্লাষ্ট ক্ৰিকেটৰ কোৱাৰ্টাৰ ফাইনেলৰ খেলসমূহ কাইলৈৰ পৰা অনুষ্ঠিত হ'ব। প্ৰতিযোগিতাৰ প্ৰথমখন কোৱাৰ্টাৰ ফাইনেল খেল কাইলৈ লণ্ডনৰ কেনিংটন অভেলত অলি প'প নেতৃত্বাধীন ছাৰী আৰু এলেক্স লিজ নেতৃত্বাধীন ডাৰহামৰ মাজত অনুষ্ঠিত হ'ব। ভাৰতীয় সময় অনুসৰি খেলখন দিনৰ চাৰে ১০ বজাত আৰম্ভ হ'ব।

ooooo

**সমাপ্ত**